# এলে বেলে MBA পাছ

দেৱজিৎ ভূঞা



**দশম অধ্যায়**

**স**ৰুতে আমি চিলা উৰুৱাই খুব ভাল পাইছিলো। ৰঙা, নীলা, সেউজীয়া চিলাবোৰ যেতিয়া আকাশত উৰি উৰি ওপৰলৈ গৈ থাকে চাবলৈ ভাল লাগে। চিলাখন যিমানে ওপৰলৈ যায় মনত সিমানে আনন্দ লাগে। কিন্তু এই চিলাখন যিমানেই ওপৰলৈ নাযাওক কিয় তাৰ নিয়ন্ত্ৰণ কিন্তু সূতা এডালৰ জৰিয়তে চিলা উৰুওৱা ব্যক্তিজনৰ হাততহে থাকে। চিলাখন সূতা আৰু টাকুৰীৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিব পাৰিলেহে চিলা উৰুৱাব পৰা যায়। বহু মানুহে সূতাডাল আৰু টাকুৰীটো ভালদৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে বাবে চিলা উৰুৱাব নোৱাৰে। চিলা উৰুৱাবৰ বাবে টাকুৰীটো সঘনে তল-ওপৰ বা সোঁৰে-বাঁৱে কৰিবলগা হয়। যেতিয়াই চিলাৰ সূতাডাল কিবা কাৰণত ছিগি যায়, চিলাখনৰ ওপৰত কোনো নিয়ন্ত্ৰণ নোহোৱা হয় আৰু চিলাখন ক'ৰবালৈ উৰি গুচি যায়। চাৰ্কাছত আমি সদায়ে এটা খেল দেখা পাওঁ যে ৰছী এডালৰ ওপৰেদি এজন ব্যক্তিয়ে কান্ধৰ ওপৰত বহুতো মানুহ উঠাই খোজকাঢ়ি পাৰ হৈ যায়। তেওঁৰ হাতত নিজৰ ভাৰসাম্য ৰক্ষা কৰিবৰ বাবে এডাল বাঁহৰ বা কাঠৰ দীঘল মাৰি থাকে। সেই মাৰিডালৰ দ্বাৰাই ভাৰসাম্য আৰু নিয়ন্ত্ৰণ ৰক্ষা কৰি তেওঁ সুকলমে ৰছীৰ ওপৰেদি খোজকাঢ়িব পাৰে।

মেনেজমেণ্ট বা মেনেজাৰ এজনৰ ক্ষেত্ৰতো একেধৰণৰ কথাই প্ৰযোজ্য হোৱা দেখা যায়। নিজস্ব কৌশল তথা হাতত থকা ক্ষমতাৰ প্ৰয়োগ কৰি কেনেদৰে উদ্যোগ বা প্ৰতিষ্ঠানটোৰ সকলোকে নিয়ন্ত্ৰণ কৰি সকলো ব্যৱস্থা নিয়ন্ত্ৰণ কৰি, সকলো ৰিছৰ্চ, ধন, সংস্থান কণ্ট্ৰ'ল কৰি প্ৰতিষ্ঠানটো বা উদ্যোগটোক নিজৰ মিছন, উদ্দেশ্য আৰু লক্ষ্যৰ ফালে আগুৱাই লৈ যাব পাৰে।

পৰম্পৰাগতভাৱে ভাৰতবৰ্ষৰ মেনেজমেণ্ট প্ৰথা বা ছিষ্টেমত চাম, দাম, দণ্ড, ভেদ অৰ্থাৎ বুজাই-বঢ়াই, মূল্য দি, শাস্তি দি আৰু বিভাজন কৰি এই চাৰিওটাকে কণ্ট্ৰ'ল কৰাৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰি অহা হৈছে। শাসন ব্যৱস্থাই হওক বা মেনেজমেণ্ট কণ্ট্ৰ'লেই হওক, কণ্ট্ৰ'ল কৰাৰ প্ৰথম আৰু সবাতোকৈ কাৰ্যকৰী আহিলা হৈছে কথা-বতৰা পাতি বুজাই-বঢ়াই সৈমান কৰা আৰু কাম আদায় কৰা। বুজাই-বঢ়াই যেতিয়া মানুহক সৈমান কৰি কাম আদায় কৰিব পৰা নাযায় তেতিয়াই মানুহক উদ্বুদ্ধ কৰিবৰ বাবে বা ম'টিভেট কৰিবৰ বাবে দাম বা মূল্য দিব লগা হয়। মানুহ স্বভাৱজাতভাৱে এক লোভী জীৱ। মানুহক সদায়ে নিজৰ প্ৰয়োজনতকৈ অধিক বস্তু, অধিক সম্পত্তি, অধিক টকা-পইচাৰ প্ৰয়োজন। ই মানুহৰ এক basic instinct। গতিকে মানুহৰ এই স্বভাৱসুলভ দিশটোক ব্যৱহাৰ কৰি মানুহক কণ্ট্ৰ'ল কৰাৰ লগতে মানুহৰ পৰা কাম আদায় কৰিব পৰা যায়। উদ্যোগ বা ব্যৱসায়-বাণিজ্য ইত্যাদি কৰ্মক্ষেত্ৰত over-time বা অতিৰিক্ত ভাত্তা বুলি এক ব্যৱস্থা আছে। যেতিয়া কোনো এটা কাম নিৰ্ধাৰিত সময়ত কৰ্মচাৰীসকলে ভালদৰে সম্পূৰ্ণ নকৰে তেতিয়া পৰিচালক বা মেনেজাৰে অতিৰিক্ত দাম দি অতি সহজে কামটো সম্পন্ন কৰিব পাৰে। চৰকাৰী কামৰ ক্ষেত্ৰতো দেখা যায় যে দাম দিলেহে কাম হয় আৰু দাম দি বিয়াগোম বিয়াগোম বিষয়াকো কণ্ট্ৰ'লত ৰাখিব পাৰি। যদিও এইদৰে দাম দিয়াৰ ফলত দুৰ্নীতিৰ প্ৰসাৰ হয়, তথাপি প্ৰয়োজনসাপেক্ষে মেনেজাৰ এজনে দাম দি কাম কৰাবলগা হয়।

শাস্তি দি কাম কৰোৱা আৰু কণ্ট্ৰ'ল কৰাটো এক আদিম বা পুৰণি প্ৰথা। ৰজাৰ



বিষয়ববীয়াই শাস্তি দি প্ৰজাৰ পৰা কাম আদায় কৰা, ক্ৰীতদাসক শাস্তি দি, মাৰপিট কৰি কামত লগোৱা, কণ্ট্ৰ'ল কৰা আমি বিভিন্ন কিতাপ-পত্ৰত পঢ়ি আহিছো। উদ্যোগ বা ব্যৱসায়-বাণিজ্যত নিয়োজিত কৰ্মীক এতিয়াও কাম নকৰিলে বা কামত গাফিলতি কৰিলে suspension, dismissal, transfer ইত্যাদি শাস্তি প্ৰদান কৰাটো মেনেজমেণ্ট প্ৰক্ৰিয়াৰ এক নিত্যনৈমিত্তিক ব্যৱস্থা। বহুতো কৰ্মী বা মানুহে শাস্তিৰ ভয়তে নিজৰ কাম কৰি যোৱা দেখা যায়। সাধাৰণতে দেখা যায় যে নিম্নস্তৰৰ কৰ্মীসকলকহে শাস্তিৰ ভয় দেখুৱাই বা শাস্তি দি কণ্ট্ৰ'ল কৰিব পৰা যায় বা কাম আদায় কৰিব পৰা যায়।

মানুহৰ মাজত ভেদাভেদ আনি শাসন কৰাটো বা মানুহক কণ্ট্ৰ'ল কৰাটোও এক পুৰণি প্ৰথা। Divide and rule প্ৰয়োগ কৰিয়েই ব্ৰিটিছসকলে ভাৰতবৰ্ষৰ দৰে বিশাল দেশ এখন অতি সহজে শাসন কৰি পৰাধীন কৰি ৰাখিব পাৰিছিল। Divide and ruleৰ এই নিয়ম উদ্যোগ বা ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য।। প্ৰতিটো উদ্যোগ বা ব্যৱসায়-বাণিজ্য বা চৰকাৰী কৰ্মক্ষেত্ৰতে দেখা যায় যে বিভিন্ন গোট বা লবী থাকে। এই গোট বা লবী ভাষাভিত্তিক, ধৰ্মভিত্তিক, অঞ্চলভিত্তিক, শিক্ষাভিত্তিক ইত্যাদি হ'ব পাৰে। ডাঙৰ উদ্যোগত সেয়ে দেখা যায় অসমীয়া লবী, বঙালী লবী, তামিল লবী, তেলেগু লবী, মাৰাঠী লবী ইত্যাদি। নতুবা উত্তৰ ভাৰতীয় লবী, দক্ষিণ ভাৰতীয় লবী, অনুসূচিত জাতিৰ লবী, জনজাতিৰ লবী, বামুণৰ লবী, হিন্দুৰ লবী, খ্ৰীষ্টিয়ানৰ লবী, মুছলমানৰ লবী ইত্যাদি। Top management বা মেনেজাৰ এজনৰ কাম হ'ল কেনেদৰে এই বিভিন্ন গোট বা লবীসমূহক divide কৰি ৰাখিব পৰা যায় আৰু বিভিন্ন গোট বা লবীৰ অন্তৰ্গত প্ৰতিজন ব্যক্তিকে organisationৰ মিছন, গোল আৰু objectiveৰ বাবে কাম কাৰোৱাব পৰা যায়, কণ্ট্ৰ'ল কৰি ৰাখিব পৰা যায়। বিভিন্ন গোট বা লবীসমূহে নিজৰ গোটৰ স্বাৰ্থতে প্ৰতিষ্ঠানৰ মূল লক্ষ্যৰ বাবে কাম কৰি যাবলগা হয়। এই বিভিন্ন গোট বা লবীসমূহৰ নিজৰ মাজত ঈৰ্ষা, হিংসা-বিদ্বেষ ইত্যাদিৰ সৃষ্টি হয় যদিও তেওঁলোকৰ এই divisionৰ বাবে মেনেজমেণ্টৰ তেওঁলোকক কণ্ট্ৰ'ল কৰি ৰখা সহজ হয়। একেদৰে উদ্যোগসমূহৰ informal lobby বা গোটৰ উপৰি বিভিন্ন স্বীকৃতপ্ৰাপ্ত Trade Union থাকে। এই ইউনিয়নসমূহৰ নিজৰ মাজত আকৌ ইউনিটি বা সমন্বয়ৰ অভাৱ থাকে আৰু বহুক্ষেত্ৰত কাজিয়া থাকে। গতিকে মেনেজমেণ্ট বা মেনেজাৰ এজনে divide and ruleৰ দ্বাৰা সকলোকে কণ্ট্ৰ'লত ৰাখি কাম আদায় কৰা উজু হয়। Divide and ruleৰ positive utilization বা ব্যৱহাৰ এটা ডাঙৰ উদ্যোগ বা অনুষ্ঠানৰ বাবে এক কাৰ্যক্ষম উপকৰণ বা tool হিচাপে পৰিগণিত হ'ব পাৰে। যিদৰে এখন ডাঙৰ নদী যেনে ব্ৰহ্মপুত্ৰৰ বহুতো উপ-নদী, সুঁতি ইত্যাদি থাকে তথাপি উপ-নদীসমূহে ব্ৰহ্মপুত্ৰৰ শ্ৰীবৃদ্ধিহে কৰে। একেদৰে উদ্যোগ বা অনুষ্ঠান এটাত বিভিন্ন informal গোট বা লবী যদি শক্তিশালী হয় আৰু বিভিন্ন গোটৰ নিজৰ মাজৰ বিভাজনে মূল অনুষ্ঠানটোক ক্ষতি নকৰি বৰঞ্চ সহায়হে কৰে তেন্তে মেনেজাৰ এজনে বা মেনেজমেণ্টে তাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰিব লাগে।

মেনেজাৰ বা মেনেজমেণ্টৰ দায়িত্ব হ'ল চাম-দাম-দণ্ড-ভেদৰ effective utilize কৰি production বঢ়োৱা, productivity বঢ়োৱা আৰু প্ৰতিষ্ঠানটোক তাৰ মিছন, ভিজন আৰু goal achieve কৰোৱা।

Management controlৰ এক প্ৰধান আহিলা carrot and stick আচলতে হ'ল দাম-দণ্ডৰ এক সমন্বয়। আমি চাৰ্কাছত দেখা পাওঁ যে ৰিং মাষ্টৰজনে হাতত এডাল এছাৰি বা ষ্টিক লৈ কুকুৰ, চৰাই আদিৰ দ্বাৰা বিভিন্ন খেলা দেখুৱাই আৰু প্ৰতিটো খেলা সম্পন্ন কৰাৰ পাচত কুকুৰ বা চৰাইটোক এটা চকলেট বা মৰ্টন খাবলৈ দিয়ে। মৰ্টন খোৱাৰ আশাত আৰু খেলা নেদেখুৱালে এছাৰিৰ কোব খোৱাৰ ভয়ত কুকুৰ বা চৰাইটোৱে সুন্দৰকৈ খেল দেখুৱায় যায়। একেদৰে মেনেজাৰ এজনে carrot অৰ্থাৎ প্ৰমোচন, ইনক্ৰিমেণ্ট, বনাচ, incentive ইত্যাদি দেখুৱাই লগতে ষ্টিক অৰ্থাৎ demotion, transfer, suspension ইত্যাদি দেখুৱাই কৰ্মচাৰী এজনক control কৰাৰ লগতে কাম আদায় কৰিব লাগে।

মানুহ যিহেতু এক বুদ্ধিমত্তা থকা জীৱ আৰু man can't live by bread alone গতিকে কেৱল control and stick policyৰে মানুহক control কৰা বা motivate কৰা সম্ভৱ নহয়। মানুহৰ প্ৰয়োজন সম্পৰ্কে ইতিমধ্যে আমি Maslow's hirarchy of needৰ যোগেদি আলোচনা কৰি আহিছো। সময়ৰ পৰিবৰ্তনৰ লগে লগে আৰু শিক্ষাৰ বিস্তাৰৰ লগে লগে ক্ৰমাগতভাৱে উপলব্ধি কৰা হৈছে carrot and stick নতুবা চাম-দাম-দণ্ড-ভেদৰ দ্বাৰা management control কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। সেইবাবে ইয়াৰ লগতে যোগ দিব লাগিব participation of people আৰু participative management control। সেয়ে আজিকালি সমানে জোৰ দিয়া হয় inclusive management and human touchৰ ওপৰত। বহুক্ষেত্ৰত দেখা যায় যে মানুহক control কৰাৰ ক্ষেত্ৰত মৰম-চেনেহ, সুখ-দুখৰ সমভাগী হোৱা আদি carrot and stick তকৈ অধিক ফলপ্ৰসূ হয়। সেনাবাহিনীৰ ক্ষেত্ৰত দেখা যায় যে

সেনা বিষয়া এজনৰ হাতত AK-47 নাথাকে। কিন্তু তেওঁৰ তলৰ প্ৰতিজন জোৱানৰ হাততে থাকে AK-47 বা মাৰাত্মক অস্ত্ৰ। কিন্তু বিষয়াজনে মুখৰ কথাৰে সকলোকে নিয়ন্ত্ৰণ কৰি যায়। কেৱল carrot and stick policyৰ দ্বাৰা এই কাৰ্য সম্ভৱ নহয়। ইয়াতো প্ৰয়োজন হয় human touchৰ আৰু মৰম-চেনেহ, সুখ-দুখৰ সমভাগী হোৱাৰ। যেতিয়াই human touchৰ অভাৱ হয় তেতিয়াই শুনা যায় সেনা বিষয়াক তেওঁৰ তলতীয়া জোৱানে গুলীয়াই হত্যা কৰাৰ খবৰ।

নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মানৱীয়তা যে অতিশয় গুৰুত্বপূৰ্ণ আমি আগতে কৈ আহিছো। সেয়া প্ৰথম মহাসমৰৰ কথা। এজন সৈনিকে দেখা পালে যে তেওঁৰ বন্ধু ট্ৰেন্সৰ পৰা ওলাই ক'ব নোৱৰাকৈ no-man's landলৈ সোমাই গ'ল। সিফালে আছে শত্ৰুৰ ট্ৰেন্স আৰু সৈন্য। লগে লগে সিফালৰ শত্ৰুৰ ট্ৰেন্সৰ পৰা গুলী আহি সৈনিকজনৰ বন্ধুক ধাৰাশায়ী কৰি পেলালে। সৈন্যজনে তেওঁৰ বিষয়াৰ অনুমতি বিচাৰিলে গুলীবিদ্ধ বন্ধুক বচাবৰ বাবে আগবাঢ়ি যোৱাৰ। কিন্তু বিষয়াজনে অনুমতি নিদি ক'লে তোমাৰ বন্ধুক হেৰুৱালো এতিয়া তোমাক হেৰুৱাব নোৱাৰো। বাংকাৰৰ ভিতৰত সোমাই থাকা। বিষয়াৰ আদেশ অমান্য কৰি সৈন্যজন ট্ৰেন্সৰ পৰা ওলাই বন্ধুৰ গুলীবিদ্ধ দেহৰ ওচৰ পালেগৈ আৰু কান্ধত উঠাই নিজৰ ট্ৰেন্সলৈ উভতিবলৈ চেষ্টা কৰিলে। ইতিমধ্যে শত্ৰুৰ গুলী আহি সৈন্যজনৰ শৰীৰত আঘাত কৰিলে। নিজৰ বন্ধুৰ মৃত শৰীৰ লৈ কোনোমতে নিজৰ ট্ৰেন্সত সোমাই সৈন্যজন বাগৰি পৰিল। বিষয়াজনে খঙত উঠলি পৰিল আৰু মৃতপ্ৰায় সৈনিকজনলৈ চাই খঙেৰে ক'লে— মই তোমাক যাবলৈ মানা কৰা নাছিলো? কি লাভ হ'ল, এতিয়া মই দুয়োজনকে হেৰুৱাব লগা হ'ল। মৃত্যুমুখী সৈনিকজেন সেহাই সেহাই ক'লে— ছাৰ গৈ পেলাই লাভ হ'ল। মৃত্যুৰ আগমুহূৰ্তত মোৰ বন্ধুৱে মোক কৈছিল— বন্ধু মই জানো তই মোক বচাবলৈ আহিবি। ইয়াকে কৈ সৈন্যজনে মৃত্যুক সাবটি ল'লে।

মেনেজমেণ্ট কণ্ট্ৰ'লৰ ক্ষেত্ৰতো দেখা যায় যে মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালীক যিদৰে তত্ত্বাৱধান কৰি শাসন কৰে, একেই পদ্ধতিয়েই অধিক ফলপ্ৰসূ হয়। আমাৰ অসমীয়াত এষাৰ কথা আছে, ল'ৰা-ছোৱালীক 'হাতীৰ খাৱনে খুৱাবা, বাঘৰ চকুৰে চাবা।' অৰ্থাৎ সম্পূৰ্ণ যত্ন ল'বা কিন্তু কাঢ়া নজৰ ৰাখিবা যাতে বিপথে যাবলৈ ভয় কৰে। ল'ৰা-ছোৱালীয়ে জানে যে মাক-বাপেকে কিমান ভাল পায়, মৰম কৰে লগতে সমীহো কৰে যে বেয়া কাম কৰিলে শাস্তিও পাব পাৰে। অৰ্থাৎ মৰম আৰু শাস্তিৰ ভয় দুয়োটাই এটা আনটোৰ পৰিপূৰক হিচাপে থাকিলেহে ল'ৰা-ছোৱালীক ভালদৰে শাসনত ৰাখিব পাৰি। অত্যধিক মৰমে যিদৰে ল'ৰা-ছোৱালীক নষ্ট কৰে একেদৰে অত্যধিক শাস্তিয়েও বিদ্ৰোহী কৰি তোলে আৰু নষ্ট কৰে। মেনেজাৰ এজনে যেতিয়া তলতীয়া কৰ্মচাৰীক মাক-বাপেকৰ দৰে মৰম দিব, তেতিয়াহে ৰঙা চকুলৈও কৰ্মচাৰীয়ে ভয় কৰিব আৰু নিজৰ কাম সুকলমে কৰি যাব। আজিকালি বহুতো উদ্যোগ বিশেষকৈ চাহ বাগিচা ইত্যাদিত কৰ্মচাৰীয়ে মেনেজাৰক হত্যা কৰা, জীয়াই জীয়াই জ্বলাই দিয়া আদি ঘটনা প্ৰায়ে সংঘটিত হয়। ইয়াৰ কাৰণ হ'ল যে মেনেজাৰ আৰু কৰ্মচাৰীৰ মাজত human touchৰ অভাৱ। অধিক profession হ'বলৈ গৈ মেনেজাৰ এজনে হিউমেন টাচ্ছৰ কথা পাহৰি যায়। কেৱল কেনেকৈ production, productivity বঢ়াব, target meet কৰিব আদিৰ মাজত বন্দী হৈ পৰে। কিন্তু পাহৰি যায় যে মানুহক কণ্ট্ৰ'ল কৰিবৰ বাবে শাসন কৰিবলৈ মানৱীয় অনুভূতিক সন্মান দিব লাগিব।

নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো দেখা যায় যে কেতিয়াবা কেতিয়াবা কিছু মানুহক খং বা প্ৰলোভনেৰে শাসন কৰিব নোৱাৰি, কিন্তু হাঁহিমুখেৰে, মিঠা মাতেৰে অতি সহজে তেওঁলোকক control কৰিব পাৰি আৰু কাম আদায় কৰিব পাৰি। এই শ্ৰেণীৰ মানুহৰ বাবে আমাৰ অসমীয়াত কোৱা— 'ভাতৰ তিতা সহ্য কৰিব পাৰি, মাতৰ তিতা সহ্য কৰিব নোৱাৰি' কথাষাৰ প্ৰযোজ্য হয়। এটা মিঠা হাঁহি বা মিচিকিয়া হাঁহিৰ বাবে একো খৰচ নহয় বা একো কষ্ট নহয়, কিন্তু মেনেজাৰ এজনে এই হাঁহিৰে, মিঠা মাতেৰে বহুতো মানুহক কণ্ট্ৰ'ল কৰাৰ লগতে নিজৰ কাম আদায় কৰি ল'ব পাৰে। বিমান বন্দৰত কাম কৰা Airhostess, ground staff, manager ইত্যাদিৰ পৰা আমি এই মিঠা মুখৰ হাঁহিৰ উদাহৰণ ল'ব পাৰো। নিতৌ হেজাৰ হেজাৰ মানুহৰ লগত interaction কৰি ক্লান্তি আৰু অৱসাদত ভাগৰিলেও যদি মুখেৰে মিঠা মাত মাতে আৰু হাঁহি ম্লান নহয়। মেনেজাৰ এজনৰ ক্ষেত্ৰত মানুহক কণ্ট্ৰ'ল কৰাটো কঠিন নহয়।

সমাজ, সময়, সভ্যতাৰ পৰিৱৰ্তনৰ লগে লগে কেৱল চাম-দাম-দণ্ড-ভেদৰ মাজতে সীমাবদ্ধ হৈ থাকিলে মেনেজাৰ এজনে ভালদৰে মানুহক কণ্ট্ৰ'ল কৰি নিজৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিবও পাৰে। গতিকে তাৰ লগতে লাগিব মিঠা মুখ, হাঁহি, human touch আৰু বিভিন্ন innovative কৌশলৰ এক সমন্বয়। ■

